জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৯৯/২০২০

## দুই লাখৰো ওপৰ অসমৰ জনসাধাৰণক নিৰাপদে ঘূৰাই অনাৰ দিশত বিভিন্ন বিভাগৰ সংঘবদ্ধ প্ৰয়াসৰ শলাগ ল'লে মুখ্যমন্ত্ৰীয়ে

# হিমালয় সদৃশ এই প্ৰত্যাহ্বানৰ উপযুক্ত মোকাবিলা কৰাৰ দিশত দলীয় মানসিকতা আৰু উৎসৰ্গিত মনোভাৱে বিশেষভাৱে সহায় কৰিলে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২ জুনঃ** ক'ভিড-১৯ ৰ ফলত সমগ্ৰ দেশজুৰি আৰোপিত লক্‌ডাউনৰ ফলশ্ৰুতিত দেশৰ বিভিন্ন প্ৰান্তত আৱদ্ধ হৈ থকা ৰাজ্যখনৰ ২ লাখ ২৯ হাজাৰ জনসাধাৰণক অসমলৈ নিৰাপদে ওভতাই অনাৰ দিশত ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগে লোৱা পদক্ষেপৰ শলাগ ল'লে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। মুখ্যমন্ত্ৰীয়ে এই সম্পৰ্কত কয় যে স্বাস্থ্য, আৰক্ষী, পৰিবহন ইত্যাদি বিভাগৰ লেখীয়া বিভাগসমূহে দিনে-নিশাই কৰা প্ৰচেষ্টা তথা দলীয় মানসিকতাৰে কৰা কাৰ্যৰ বাবে ৰাজ্য চৰকাৰে বৃহৎ সংখ্যক জনসাধাৰণক কোনো জটিলতা অবিহনে অসমলৈ ঘূৰাই অনাৰ দিশত সফল হৈছে। আজি অসম দক্ষতা উন্নয়ন অভিযানৰ কাৰ্যালয়ত স্থাপন কৰা ক'ভিড-১৯ ৱাৰ ৰূমত বিভাগসমূহে জনসাধাৰণৰ বাবে গ্ৰহণ কৰা পৰিবহনৰ স্থিতি পৰ্যালোচনা কৰাৰ পিছত অসম দক্ষতা উন্নয়ন অভিযান চৌহদত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা মত-বিনিময়ত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই মত প্ৰকাশ কৰে।

বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ক'ভিড-১৯ এ ৰাজ্যখনৰ দুৰ্যোগ ব্যৱস্থাপনাৰ দিশত এক নতুন শক্তি প্ৰদান কৰিলে। বৰ্তমানৰ কোনো এটা প্ৰজন্মই নিজৰ জীৱনকালত এনে ধৰণৰ জটিল পৰিস্থিতিৰ সন্মুখীন হোৱা নাছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বৈঠকত বিভাগে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা বিভিন্ন মাধ্যমেৰে গুৱাহাটীলৈ অহা উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যসমূহৰ ব্যক্তিসকলক তেওঁলোকৰ নিজৰ ৰাজ্যলৈ পঠিয়াই দিয়াৰ দিশত গ্ৰহণ কৰা ব্যৱস্থাৱলীসমূহ মুখ্যমন্ত্ৰীক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ জনসাধাৰণৰ মাজত থকা ঐক্য-সংহতি শক্তিশালী কৰাৰ দিশত এই ব্যৱস্থাই বিশেষভাৱে অৰিহণা যোগাব বুলি কয়। বৈঠকত মুখ্যমন্ত্ৰীক অৱগত কৰা হয় যে নেপাল, ভূটান, বাংলাদেশৰ লেখীয়া দেশসমূহৰ পৰা সৰ্বমুঠ ৫৮৫ গৰাকী ব্যক্তি বাছেৰে ওভতি আহিছে। তদুপৰি, কুৱেইট, ৰাছিয়া, ইউক্ৰেইন ইত্যাদি দেশৰ পৰা প্ৰত্যক্ষ বিমান সেৱাৰ জৰিয়তে অসমলৈ জনসাধাৰণ আহিব। তদুপৰি, আমেৰিকা, কানাডা, উত্তৰ আমেৰিকা, আফ্ৰিকা, পশ্চিম ইউৰোপ ইত্যাদিৰ পৰাও জনসাধাৰণে ওভতি অহাৰ বাবে যোগাযোগ চলাই আছে আৰু এই লোকসকল পৰ্যায়ক্ৰমে অসমলৈ আহিব। মুখ্যমন্ত্ৰীয়ে আৰক্ষী আৰু পৰিবহন বিভাগক এই বিস্তৃত কাম-কাজৰ বিভিন্ন দিশ সামৰি এখন চুটি চলচ্চিত্ৰ নিৰ্মাণৰ বাবে নিৰ্দেশ দিয়ে যাতে ভৱিষ্যতৰ প্ৰশাসনে প্ৰত্যাহ্বানৰ সৈতে কেনেদৰে মোকাবিলা কৰিব লাগে সেই সম্বন্ধে আভাষ পাব পাৰে।

আজিৰ এই বৈঠকতে মুখ্যমন্ত্ৰীয়ে অসম দক্ষতা উন্নয়ন অভিযানৰ ‘সুদক্ষ’ নামৰ এক ডিজিটেল পৰ্টেলো আনুষ্ঠানিকভাৱে উন্মোচন কৰে। এই পৰ্টেলে অসমলৈ ওভতি অহা দক্ষ লোকৰ দক্ষতা চিনাক্তকৰণ তথা তেওঁলোকৰ নিয়োজনৰ দিশত বিশেষ সহায়ক হ’ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই পৰ্টেলত ১৮ বছৰৰ পৰা ৪০ বছৰ বয়সৰ ওভতি অহা দক্ষ যুৱক-যুৱতীয়ে নিজৰ নাম পঞ্জীয়নৰ সুবিধা লাভ কৰাৰ উপৰি তেওঁলোকৰ দক্ষতা অনুসৰি প্ৰশিক্ষণৰ সুবিধা লাভ কৰিব। এই প্ৰশিক্ষণৰ সমাপনৰ পিছত অসম দক্ষতা উন্নয়ন অভিযানে প্ৰশিক্ষাৰ্থীসকলক নিজৰ উদ্যোগ স্থাপনৰ বাবে বেংকৰ ঋণ লাভ কৰাৰ দিশত সহায় কৰি যাতে তেওঁলোকে স্বনিয়োজনৰ সুবিধা লাভ কৰে। বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ড যেনে গাহৰি পালন, ছাগলী পালন আৰু মীন পালন ইত্যাদিৰ লেখীয়া খণ্ডসমূহত অসমলৈ ওভতি অহা কৰ্ম শক্তিক নিয়োজিত কৰাৰ বাবে লক্ষ্য লৈছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে উঠি অহা যুৱ উদ্যোগীসকলক নিজৰ ব্যৱসায় ক্ষেত্ৰ গঢ়ি তোলাৰ দিশত ৰাজ্য চৰকাৰে বিশেষভাৱে উৎসাহিত কৰিব যাতে তেওঁলোকে আন ১০ জনক এই ক্ষেত্ৰসমূহত নিয়োজিত কৰিব পাৰে।

বৈঠকৰ পিছত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়েও সাংবাদিকৰ সৈতে মত-বিনিময় কৰি কয় যে ক’ভিড-১৯ ৰ ফলত আৰোপিত লক্‌ডাউনৰ ফলশ্ৰুতিত কিছু দুৰ্বল হোৱা ৰাজ্য অৰ্থনীতি পুনৰ শক্তিশালীকৰণৰ বাবে ৰাজ্য চৰকাৰে সকলো প্ৰকাৰৰ পদক্ষেপ লৈছে। এই ক্ষেত্ৰত বিভিন্ন খণ্ডত কৌশলগত হস্তক্ষেপেৰে ৰাইজৰ অৰ্থনীতি ত্বৰান্বিত হ’ব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

আজিৰ এই বৈঠকত আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (আইন শৃংখলা) জি পি সিং, অসম দক্ষতা উন্নয়ন অভিযানৰ পৰিচালন সঞ্চালক আনন্দ প্ৰকাশ তিৱাৰীৰ লগতে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**স্বাক্ষৰ / বঃভাঃ/ পুঃডেঃ**
**২/৬/২০২০**